**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-08-2025 **Time :** 0755Hrs.

# Assamese Morning Bulletin

উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ জৰিয়তে সৱলীকৰণৰ বৃহৎ পদক্ষেপ হিচাপে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে ডিব্ৰুগড়ত এটা অত্যাধুনিক আঞ্চলিক উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰিব। আত্মনিৰ্ভৰ ভাৰত অভিযান আৰু কেন্দ্ৰীয় চৰকাৰৰ সামুদ্ৰিক অমৃতকাল দৃষ্টিভংগী- ২০৪৭ৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। লোকসভাৰ বৰ্ষাকালীন অধিৱেশনত এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। শ্ৰী সোণোৱালে কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া এই উৎকৰ্ষতা কেন্দ্ৰই ৰাজ্যৰ যুৱক-যুৱতীসকলৰ অফুৰন্ত সুযোগ, সম্ভাৱনা বৃদ্ধি কৰিব আৰু তেওঁলোকক বিশ্বমানৰ সামুদ্ৰিক দক্ষতাৰে সাজু কৰা হ'ব। এই প্ৰকল্পই ৫০ হাজাৰৰো অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সৃষ্টি কৰাৰ লগতে ভাৰতৰ আভ্যন্তৰীণ জলপৰিবহণ অৰ্থনীতিত অৰিহণা যোগাব বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে। উল্লেখযোগ্য যে ১৮৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই উৎকৰ্ষতা কেন্দ্ৰই স্মাৰ্ট নেভিগেচন প্ৰণালী, সামুদ্ৰিক অভিযন্তা, তথ্য প্ৰযুক্তি আৰু ল'জিষ্টিককে ধৰি অন্যান্য অত্যাধুনিক ক্ষেত্ৰত উন্নত প্ৰশিক্ষণ প্ৰদান কৰিব। তদুপৰি এই কেন্দ্ৰত ৰাষ্ট্ৰীয় মানৰ সৈতে সংগতি ৰাখি আভ্যন্তৰীণ জলপথ পৰিচালনা আৰু সামুদ্ৰিক সুৰক্ষামূলক পাঠ্যক্ৰমো আগবঢ়াব।

ooooo

অসম সাহিত্য সভা আৰু দেউৰী সাহিত্য সভাৰ যৌথ উদ্যোগত লখিমপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ত কাইলৈ এনাজৰী ঃ **চেঁকুচ্চিতুং** শীৰ্ষক ভাষা, সাহিত্য, সংস্কৃতি বিনিময়ৰ এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত হ'বলগীয়া অনুষ্ঠানত দেউৰী সাহিত্য সভাত সভাপতি ড০ ষড়ানন দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দেউৰী ভাষা-সাহিত্য কৃষ্টি সন্দৰ্ভত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়োৱাৰ লগতে বৰগীত আৰু দেউৰী লোকগীত পৰিৱেশন কৰা হ'ব।

ooooo

মাজুলী জিলাত বাল্য বিবাহ মুক্ত কৰাৰ উদ্দেশ্যে বেটী বচাও বেটী পঢ়াও আঁচনিৰ অধীনত মহিলা আৰু শিশু বিকাশ তথা জিলা আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত জিলাখনত কালি বাল্য বিবাহ মুক্ত মাজুলী অভিযানৰ শুভাৰম্ভণি কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণ, স্বাস্থ্য আৰু শিক্ষা বিভাগ, অসম গ্ৰামীণ জীৱিকা অভিযান, ইউনিচেফ তথা নিডচৰ সহযোগত নামনি লাচন গাঁৱৰ ৰংগমঞ্চত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব

সন্দীপ কৌশিক, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধাণ্ডিয়াৰ লগতে আন আন বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। বাল্য বিবাহ মুক্ত মাজুলী অভিযানৰ লগত সংগতি ৰাখি এটি সজাগতামূলক গীতো মুকলি কৰা হয়।

০০০০০

চৰাইদেউ জিলাৰ কাকতিবাৰীত কালি মন্ত্ৰী যোগেন মহনে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ই চি আৰ পি পুঁজিৰ দ্বাৰা নিৰ্মিত কাকতিবাৰী আয়ুস্মান আৰোগ্য মন্দিৰৰ নৱনিৰ্মিত ৬খন বিচনাযুক্ত এটি কক্ষ মুকলি কৰে। অঞ্চলটোৰ ৰাইজৰ চিকিৎসা সেৱাৰ সুবিধা হোৱাকৈ নিৰ্মাণ কৰা এই ভৱনটোৰ জৰিয়তে অঞ্চলটোৰ ৰাইজ উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

এই অনুষ্ঠান চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক  ডাঃ জ্যোৰ্তিময় শৰ্মা বৰুৱা, টাই আহোম উন্নয়ন পৰিষদৰ সদস্য মণ্টু কোঁৱৰকে ধৰি স্বাস্থ্য বিষয়া-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০

ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱস উপলক্ষে কালি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত গোগামুখত প্ৰয়াত টাবুৰাম টাইডৰ সমাধিক্ষেত্ৰত প্ৰতিস্থা কৰা টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুঁথিভৰাল আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।  টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুঁথিভৰালটো প্ৰয়াত ভাষাবিদগৰাকীৰ কৃতি আৰু কৃতিত্ব স্মৃতি বিজড়িত বহুকেইপদ সমল আৰু জনগোষ্ঠীয় ভাষা সাহিত্যৰ গৱেষণালব্ধ মূল্যৱান গ্ৰন্থৰে সঁজোৱা হৈছে। গোগামুখৰ কৃষ্টি ভৱনত আয়োজিত এই অনুষ্ঠানতে সাহিত্যিক য়েছে দৰজে ঠংছিক প্ৰথমটো বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটাৰে সন্মান জনোৱা হয়।

০০০০০

তিনিচুকীয়া জিলাৰ গুইজান চাৰিআলিত আৰক্ষীয়ে অভিযান চলাই যোৱা নিশা বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। মিজোৰামৰ পৰা ২৮ টা চাবোনৰ বাকচত ভৰাই অনা মাদকদ্ৰব্যখিনি তিনিচুকীয়া সৰবৰাহ কৰা হৈছিল। জব্দ কৰা মাদকদ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় ডেৰ কোটি টকা বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে এই সংক্ৰান্তত কাৰ্বি আংলঙৰ দেহমিলন ছিংচং আৰু ছাংমাং ছিংচন নামৰ দুজন লোকক আটক কৰিছে।

০০০০০

মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা জিলা সাহিত্য  সভাৰ প্ৰতিষ্ঠাপক সভাপতি বিশিষ্ট নাগৰিক নৰেন্দ্ৰ নাথ কেওটৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০বছৰ।

০০০০০

সমাপ্ত